NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-03-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ এটা অস্থায়ী ব্যৱস্থা আছিল বুলি উল্লেখ কৰি কয় যে, এই অনুচ্ছেদৰ সম্প্ৰসাৰণে দেশৰ ক্ষতি কৰিছিল।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফাকুৱা উপলক্ষে জনসাধাৰণৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে আজি লেহত সৈনিকসকলৰ সৈতে ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰে।

৪। মিজোৰামত আজি ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে তুমাকু নিঁ অৰ্থাৎ পাম দেওবাৰ শীৰ্ষক উৎসৱ পালন কৰা হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক জয়ৰ বাবে ১৯৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।০

০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে সংবিধানৰ ৩৭০ নম্বৰ অনু চ্ছেদ এটা অস্থায়ী ব্যৱস্থা আছিল বুলি উল্লেখ কৰি কয় যে, এই অনুচ্ছেদৰ সম্প্ৰসাৰণে দেশৰ ক্ষতি কৰিছিল। ছিংগাপুৰত থকা ভাৰতীয় লোকসকলৰ সৈতে মত বিনিময় কৰি ড০ জয়শংকৰে আজি কয় যে, ৩৭০ নম্বৰ অনুচ্ছেদৰ সম্প্ৰসাৰণে সন্ত্ৰাসবাদ, হিংসা আৰু বিচ্ছিন্নতাবাদৰ নীতিক উৎসাহিত কৰিছিল। এই অনুচ্ছেদৰ পৰিপ্ৰেক্ষিতত জম্মু-কাশ্মীৰ আৰু লাডাখলৈ প্ৰগতিশীল আইনসমূহ সম্প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত বাধা আহি পৰিছিল। বিদেশমন্ত্ৰীগৰাকীয়ে কয় যে, সম্প্ৰতি পৰিৱৰ্তনৰ উপকাৰসমূহ সকলোৰে দৃষ্টিগোচৰ হৈছে। ভাৰত আৰু ৰাছিয়াৰ সম্পৰ্ক সন্দৰ্ভত তেওঁ কয় যে, দুয়োখন দেশে পৰস্পৰৰ স্বাৰ্থৰ হকে বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফাকুৱা উপলক্ষে জনসাধাৰণৰ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ফাকুৱা হৈছে আনন্দ আৰু উৎসাহৰ উৎসৱ। এই উৎসৱে মানুহৰ জীৱনলৈ আশা আৰু প্ৰেৰণা কঢ়িয়াই আনে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, ফাকুৱাৰ বৰ্ণিল ৰঙে দেশখনৰ

বিচিত্ৰতা প্ৰতিফলিত কৰাৰ লগতে এই উৎসৱে জনসাধাৰণৰ মাজত প্ৰেম, একতা আৰু ভাতৃত্বৰ অনুভৱ জাগ্ৰত কৰে। এই উৎসৱে সকলোৰে জীৱনলৈ সুখ আৰু আনন্দ কঢ়িয়াই অনাৰ লগতে সকলোকে নতুন প্ৰেৰণাৰ সৈতে ৰাষ্ট্ৰ নিৰ্মাণৰ দিশত কাম কৰিবলৈ উৎসাহিত কৰিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ৰঙৰ উৎসৱে সকলোৰে জীৱনলৈ নতুন শক্তি আৰু উদ্যম কঢ়িয়াই অনাৰ আশা প্ৰকাশ কৰে।

oooooooo

প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে আজি লেহত সৈনিকসকলৰ সৈতে ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰে। শ্ৰী সিঙে চিয়াচেনত থকা সৈনিকসকলৰ সৈতে কথা পতাৰ লগতে তেওঁলোকক ফাকুৱাৰ শুভেচ্ছা জ্ঞাপন কৰে। পৰৱৰ্তী লাডাখ ভ্ৰমণত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে চিয়াচেনত থকা সৈনিকসকলৰ সৈতে মত বিনিময় কৰাৰ আশ্বাস দিয়ে। শ্ৰী সিঙে লেহৰ যুদ্ধ স্মাৰকত ৰাষ্ট্ৰৰ সেৱাত প্ৰাণ উৎসৰ্গা কৰা বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই মাল্যাৰ্পণ কৰে। তেওঁ লেহত জোৱানসকলক সম্বোধন কৰাৰ লগতে কঠিন ভূখণ্ড তথা প্ৰতিকূল বতৰক নেওচি মাতৃভূমিক সুৰক্ষা দিয়াৰ বাবে তেওঁলোকৰ সাহস আৰু দৃঢ়তাৰ প্ৰশংসা কৰে।

oooooooo

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰে আজি পাঞ্জাবত বিষাক্ত সুৰা সেৱনৰ ফলত ২১ জন লোকৰ মৃত্যু হোৱাৰ বিষয়ত পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানক সমালোচনা কৰে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী ঠাকুৰে কয় যে, ইমানকেইজন লোকে প্ৰাণ হেৰুওৱাৰ পাছতো পাঞ্জাবৰ মুখ্যমন্ত্ৰীগৰাকী দিল্লীত আছে। তেওঁ লগতে কয় যে, মুখ্যমন্ত্ৰীগৰাকীয়ে এই দুৰ্ঘটনা সন্দৰ্ভত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই আৰু কোনো ধৰণৰ তদন্তৰ কথাও কোৱা নাই। আবকাৰী নীতি গোচৰ সন্দৰ্ভত কাৰাগাৰত থকা মনিষ চিছোডিয়া, সঞ্জয় সিং আৰু বৰ্তমান অৰবিন্দ কেজৰিৱালৰ হৈ যুঁজিবৰ বাবে মুখ্যমন্ত্ৰী ভাগৱন্ত মান দিল্লীত আছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, শ্ৰী মানৰ নিজৰ সমষ্টিত বিষাক্ত সুৰা সেৱন কৰি ২১ জন লোক মৃত্যু হোৱাৰ পাছতো তেওঁৰ চৰকাৰে সুৰা বেপাৰীসকলক সুৰক্ষা প্ৰদান কৰিছে। শ্ৰী ঠাকুৰে লগতে নিষ্ক্ৰিয় পাঞ্জাব চৰকাৰ আৰু দিল্লীৰ চৰকাৰক কাৰাগাৰৰ পৰা শাসন কৰাটো দেশবাসীয়ে কেতিয়াও নিবিচাৰে বুলিও মন্তব্য কৰে।

আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সন্দৰ্ভত তামিলনাডুৰ মন্ত্ৰী অনিতা ৰাধাকৃষ্ণনে আপত্তিজনক মন্তব্য আগবঢ়োৱাৰ সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আই এন ডি আই মিত্ৰজোঁটক সমালোচনা কৰি কয় যে, মিত্ৰজোঁটৰ সদস্যসকলে তেওঁলোকৰ মানসিক সুস্থিৰতা হেৰুৱাই পেলাইছে। আই এন ডি আই মিত্ৰজোঁটে ইয়াৰ বাবে ক্ষমা খোজা উচিত বুলি শ্ৰী ঠাকুৰে উল্লেখ কৰে।

oooooooo

লোকসভা নিৰ্বাচনত ভোটাৰৰ অংশগ্ৰহণ বৃদ্ধিৰ লক্ষ্যৰে এইবাৰ নিৰ্বাচনী কৰ্তব্যত নিয়োজিত কৰ্মীসকলে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ৪০ শতাংশতকৈ অধিক প্ৰতিবন্ধী ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট গ্ৰহণৰ ব্যৱস্থা কৰিব। এই ব্যৱস্থাৰ অধীনত এজন ভিডিঅ'গ্ৰাফাৰৰ সৈতে দুজন ভোটগ্ৰহণকাৰী বিষয়াই যোগ্য ভোটাৰক সাক্ষাৎ কৰি ভোটাৰৰ বাসগৃহত ভোটদান প্ৰক্ৰিয়া ৰেকৰ্ড কৰিব। আনহাতে এই দুই শ্ৰেণীৰ ভোটাৰে যদি নিজেই গৈ ভোটকেন্দ্ৰত ভোটদান কৰিব খোজে তেন্তে তেওঁলোকক ৰেম্প, অপেক্ষাৰ স্থান, হুইল চেয়াৰ, শৌচাগাৰ আদিৰ বিশেষ সুবিধা প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ দিনা প্ৰতিটো ভোটকেন্দ্ৰতে প্ৰতিবন্ধী ভোটাৰ আৰু জ্যেষ্ঠ নাগৰিক

ভোটাৰসকলৰ বাবে উপযুক্ত পৰিবহণৰ সুবিধা কৰিবলৈও আয়োগে নিৰ্বাচনী বিষয়াসকলক নিৰ্দেশ দিছে। এই শ্ৰেণীৰ ভোটাৰসকলে **সক্ষম-ই চি আই এপত** পঞ্জীয়ন কৰি হুইল চেয়াৰৰ সুবিধা লাভৰ বাবে অনুৰোধ কৰিব পাৰিব। উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে এইবাৰ বিশেষভাৱে সক্ষম ভোটাৰসকলৰ প্ৰয়োজনীয়তা সম্পৰ্কে ভোটগ্ৰহণকাৰী কৰ্মীসকলক সংবেদনশীল কৰি তোলাত অধিক গুৰুত্ব আৰোপ কৰিছে। সেই অনুসৰি বাকশক্তি আৰু শ্ৰৱণ শক্তিৰ দুৰ্বলতা থকা ভোটাৰসকলৰ বাবেও বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ভোটকেন্দ্ৰসমূহত দৃষ্টিহীন ব্যক্তিসকলে নিৰ্বাচন পৰিচালনা অধিনিয়ম-১৯৬১ৰ নিয়মানুসাৰে নিজৰ হৈ ভোট দিবলৈ এগৰাকী সংগীক লগত নিব পাৰিব। তদুপৰি, যিহেতু ভোটকেন্দ্ৰসমূহত ব্ৰেইল লিপিত যুগুতোৱা প্ৰতিৰূপী বেলট কাকত উপলব্ধ হ'ব, সেয়েহে দৃষ্টিহীন ব্যক্তিসকলে এই বেলট ব্যৱহাৰ কৰিব পাৰিব আৰু সংগীৰ পৰা কোনো সহায় নোলোৱাকৈয়ে ই ভি এমৰ বেলট ইউনিটত ব্ৰেইল সুবিধা ব্যৱহাৰ কৰি নিজেই ভোটদান কৰিব পাৰিব।

oooooooo

মিজোৰামত আজি ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে তুমাকু নি' অৰ্থাৎ পাম দেওবাৰ শীৰ্ষক উৎসৱ পালন কৰা হয়। এই উপলক্ষে গিৰ্জাত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত পাম দেওবাৰৰ শোভাযাত্ৰা উলিওৱা হয়। যীশুখ্ৰীষ্টই ইজৰাইলৰ ৰজা হিচাপে জেৰুজালেমত প্ৰৱেশ কৰাৰ দিনটোৰ স্মৃতি হিচাপে পাম দেওবাৰ দিনটো পালন কৰা হয়। বাইবেলত উল্লেখ থকা অনুসৰি যীশুখ্ৰীষ্ট গাধত অৰোহণ কৰি মহানগৰখনত প্ৰৱেশ কৰাৰ সময়ত উপস্থিত জনতাই তেওঁলোকৰ জহৰ চোলাৰ লগতে ৰাজপথত পাম গছৰ ডালবোৰ মেলি ধৰি হৰ্ষোল্লাস কৰিছিল। পাম দেওবাৰৰ সৈতে আৰম্ভ হোৱা এই পৱিত্ৰ সপ্তাহৰ ইস্তাৰৰ দিনটোত অন্ত পৰে।

oooooooo

ৰাজস্থানৰ জয়পুৰত এটা ৰাসায়নিক ফেক্টৰীত যোৱা নিশা সংঘটিত অগ্নিকাণ্ডত ৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে দুজন লোক আহত হয়। আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা মতে গাঁওবাসীয়ে ফেক্টৰীৰ মালিকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ লগতে ক্ষতিপূৰণৰ দাবী জনাই জয়পুৰ-আগ্ৰা ঘাইপথছোৱা বন্ধ কৰি দিয়ে। আৰক্ষী আৰু প্ৰশাসনীয় বিষয়াসকলে প্ৰতিবাদকাৰীসকলৰ সৈতে আলোচনা কৰে। আনহাতে এই ঘটনাটোত শোক প্ৰকাশ কৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভজন লালে সকলো ধৰণৰ সহায়-সহযোগৰ আশ্বাস দিয়ে।

oooooooo

কেৰেলাত শুল্ক বিভাগৰ বিষয়াই বেংককৰ পৰা কোচি আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱা চাৰিগৰাকী বিমান যাত্ৰীৰ পৰা চাৰি কিলোগ্ৰাম ৪৩৫ গ্ৰামতকৈও অধিক ওজনৰ সোণ জব্দ কৰে। তিনিগৰাকী মহিলা যাত্ৰীয়ে কঢ়িয়াই অনা এই সোণখিনিৰ মূল্য দুই কোটি ২০ লাখ টকা বুলি জানিব পৰা গৈছে। মহিলা কেইগৰাকীয়ে এই সোণখিনি পোছাকত ভিতৰত সোমোৱাই লৈ অহাৰ লগতে তেওঁলোকৰ সহযাত্ৰী পুৰুষ এগৰাকীৰ কঁকালৰ বেল্টত লুকুৱাই আনিছিল। তেওঁলোকক ১৫ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে।

oooooooo

ৰাছিয়াৰ মস্কোৰ ক্ৰোকছ্ চিটী হলত যোৱা শুকুৰবাৰে সন্ধিয়া সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত কমেও ১৩৩ জন লোক মৃত্যু হোৱাৰ পৰিপ্ৰেক্ষিতত দেশখনত আজি শোক দিৱস পালন কৰা হৈছে। সেই অনুসৰি ভিন ভিন স্থানত থকা পতাকাসমূহ অৰ্ধনমিত কৰাৰ লগতে বিভিন্ন অনুষ্ঠান বাতিল কৰা হৈছে। উল্লেখযোগ্য যে, এই

সন্ত্ৰাসবাদী আক্ৰমণত ১৪৭ জনৰো অধিক লোক আহত হয়। ইছলামিক ষ্টেট সন্ত্ৰাসবাদী সংগঠনটোৱে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে।

০০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত কাইলৈ নিশা চাৰে ন বজাত **দেশত ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ সন্দৰ্ভত ভাৰতীয় ইলেকট্ৰনিক উদ্যোগ সংঘৰ সাধাৰণ সচিব ৰাজু গোৱেলৰ** সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৭১৭১০৬ আৰু ০১১-২৩৩১৪৪৪৪ নম্বৰত ফোন কৰি **ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰ**ৰ বিভিন্ন দিশ সন্দৰ্ভত সচিবগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে লগতে ৱাটছএপ যোগে ৯২৮৯০-৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newson air.gov.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিব পাৰিব।

০০০০০০০০

ফুটবলৰ বিশ্ব নিয়ন্ত্ৰক সংস্থা ফিফাই অহা মঙলবাৰে প্যংগ্যাঙত জাপান আৰু উত্তৰ কোৰিয়াৰ মাজত অনুষ্ঠিত হ'বলগীয়া বিশ্বকাপৰ যোগ্যতা নিৰূপনকাৰী খেল এখন বাতিল কৰিছে। সংস্থাটোৱে কালি নিজৰ ৱেবচাইটত নিজৰ সিদ্ধান্তৰ বিষয়ে ঘোষণা কৰে। উত্তৰ কোৰিয়াই কোনো বিকল্প স্থান নিশ্চিত কৰিব নোৱাৰাৰ লগতে খেলৰ তাৰিখ পিছুৱাই দিয়াৰ ক্ষেত্ৰত আহি পৰা কিছু অসুবিধাৰ বাবে খেলখন বাতিল কৰা হৈছে বুলি সংস্থাটোৱে প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে উত্তৰ কোৰিয়াই খেলখন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অপাৰগতা প্ৰকাশ কৰাৰ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এছিঅ' ফুটবল কনফেডাৰেচনে যোৱা শুকুৰবাৰে কয় যে, অপ্ৰত্যাশিত কাৰণবশতঃ খেলখন বাতিল কৰা হৈছে। আন এক সূত্ৰত প্ৰকাশ পোৱা অনুসৰি জাপানত এবিধ সোচৰা ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱাৰ পৰিপ্ৰেক্ষিতত উত্তৰ কোৰিয়া সচেতন হৈ উঠিছে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰত অনুষ্ঠিত প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ৰাজস্থান ৰয়লছে নিৰ্ধাৰিত অ'ভাৰত ৪টা উইকেট হেৰুৱাই ১৯৩ ৰান সংগ্ৰহ কৰে। বাতৰি যুগুতোৱা পৰলৈকে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ৫টা উইকেট হেৰুৱাই ১৬ অ'ভাৰ ২ টা বলত ১৪৬ ৰাণ সংগ্ৰহ কৰে। আনহাতে, আহমেদাবাদত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

০০০০০০০০

সমাপ্ত